2015

# ASSAMESE

Paper : 1.01 (Old Course)

# HISTORY OF ASSAMESE LITERATURE

Full Marks : 80

Time : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১ × ৮

(ক) মাধৱ কন্দলি কোন শতিকাৰ কবি ?

(i) ১১ শ শতিকা (ii) ১২ শ শতিকা

(iii) ১৪ শ শতিকা (iv) ১৬ শ শতিকা

(খ) 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনৰ ৰচক কোন ?

(i) শংকৰদেৱ (ii) হেম সৰস্বতী

(iii) অনন্ত কন্দলি (iv) এজনো নহয়

(গ) কবিৰত্ন সৰস্বতীয়ে কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(i) ইন্দ্ৰ নাৰায়ণ (ii) দুৰ্লভ নাৰায়ণ

(iii) তাম্ৰধ্বজ (iv) মহামাণিক্য



পিপিঠিত

(ঘ) শংকৰদেৱে ৰচনা কৰা প্ৰথম কাব্যখনৰ নাম হ'ল ঃ

(i) অমৃত মন্থন (ii) বলিচলন

(iii) অজামিল উপাখ্যান (iv) হৰিশ্চন্দ্ৰ উপাখ্যান

(ঙ) মাধৱদেৱে শংকৰদেৱক প্ৰথম ক'ত লগ পাইছিল?

(i) হাজোত (ii) বৰদোৱাত

(iii) ধুৱাহাটা-বেলগুৰিত (iv) কমলাবাৰী সত্ৰত

(চ) দৈত্যাৰি ঠাকুৰে ৰচনা কৰা চৰিত পুথিখনৰ নাম হ'ল ঃ

(i) শংকৰ চৰিত (ii) সন্তমালা

(iii) বংশী গোপাল চৰিত (iv) শংকৰদেৱ মাধৱদেৱ চৰিত্ৰ

(ছ) 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' গ্ৰন্থখনৰ ৰচক কোন?

(i) গুণাভিৰাম বৰুৱা (ii) হেমচন্দ্ৰ বৰুৱা

(iii) যদুৰাম ডেকাবৰুৱা (iv) এটাও শুদ্ধ নহয়

(জ) 'নিবাৰণ ভট্টাচাৰ্য' শীৰ্ষক নাটকখন কোনে ৰচন কৰিছে —

(i) সত্যপ্ৰসাদ বৰুৱা (ii) ফণী শৰ্মা

(iii) অৰুণ শৰ্মা (iv) এজনো নহয

২। চমুকৈ উত্তৰ লিখা ঃ ২ × ৩

(ক) প্ৰাচীন কামৰূপৰ দুজন পালবংশীয় ৰজাৰ নাম লিখা।

(খ) 'অঃ ভাঃ উঃ সাঃ' কিমান চনত স্থাপিত হৈছিল আৰু ইয়াৰ সম্পূৰ্ণ নামটো কি?

(গ) হীৰেণ ভট্টাচাৰ্যৰ দুখন কবিতা পুথিৰ নাম লিখা।



৩। চমুটোকা লিখা (যিকোনো দুটা) ঃ ৫ × ২ = ১০

(ক) বধকাব্য

(খ) কথা গুৰুচৰিত

(গ) অৰুণোদই কাকতৰ খৃষ্টিয়ান লেখকসকল

(ঘ) 'জোনাকী' আলোচনীৰ প্ৰথম সম্পাদক ঃ চন্দ্ৰ কুমাৰ আগৰৱালা

তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৪। কোনজনা কবিক প্ৰাক শংকৰী যুগৰ শ্ৰেষ্ঠ কবি বুলি কোৱা হয়? তেওঁৰ পৃষ্ঠপোষক ৰজাজনৰ নাম আৰু সময় উল্লেখ কৰি কবিজনাৰ চমু পৰিচয় দিয়া আৰু তেওঁৰ কাব্য প্ৰতিভাৰ বিষয়ে আলোচনা কৰা। ১+৫+৮=১৪

৫। আঙ্গিকৰ পিনৰ পৰা শংকৰদেৱৰ সাহিত্যৰাজিক কেইটা ভাগত ভগাব পাৰি দেখুৱাই তেওঁৰ নাট্যকৃতিৰ এক বহল আলোচনা দাঙি ধৰা। ১৪

৬। কবি অনন্ত কন্দলিৰ সাহিত্যকৃতিৰ পৰিচয় দাঙি ধৰি অসমীয়া নৱবৈষ্ণৱ সাহিত্যত তেওঁৰ স্থান নিৰূপণ কৰা। ১৪

৭। অসমীয়া ভাষা সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অৱদান — এই শীৰ্ষক এটি চুটি নিবন্ধ যুগুত কৰা। ১৪

৮। আধুনিক অসমীয়া সাহিত্যৰ বিকাশত 'জোনাকী'ৰ ভূমিকাৰ বিষয়ে আলোচনা কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১৪

৯। যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে এটি চমু প্ৰবন্ধ যুগুত কৰা। ১৪

—— × ——